# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 16-10-2026 **Time :** 1205 Hrs.

**Assamese Midday Bulletin**

**<u>Headlines</u>**

০০০০০০

১। পেট্ৰ'ল, ডিজেল আৰু বিমান ইন্ধনৰ ৰপ্তানিৰ ক্ষেত্ৰত প্ৰযোজ্য হ'বলগীয়া সংশোধিত শুল্কৰ অধিসূচনা জাৰি।

২। বেংগালুৰুৰ দদ্দা আলাদমাৰা ৰোডত অসম ভৱন আজি আনুষ্ঠানিকভাৱে মুকলি।

৩। ষষ্ঠীৰ বেদীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰে আজি শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ।

আৰু

৪। ৰায়পুৰত আজি ভাৰত আৰু জিম্বাব'ৱেৰ মহিলা দলৰ মাজৰ টী-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল।

০০০০০০০

চৰকাৰে পৰৱৰ্তী পযেকৰ বাবে পেট্ৰ'ল, ডিজেল আৰু বিমান ইন্ধনৰ ৰপ্তানিৰ ক্ষেত্ৰত প্ৰযোজ্য হ'বলগীয়া সংশোধিত শুল্কৰ অধিসূচনা জাৰি কৰিছে। বিত্ত মন্ত্ৰ্যালয়ে কালি জাৰি কৰা এই অধিসূচনা অনুসৰি পেট্ৰ'লৰ ৰপ্তানিৰ ক্ষেত্ৰত শুল্কৰ হাৰ প্ৰতি লিটাৰত আঢ়ৈ টকা আৰু ডিজেলৰ ক্ষেত্ৰত চাৰে ৮ টকা হ'ব। একেদৰে বিমানৰ ইন্ধনৰ ৰপ্তানিৰ ক্ষেত্ৰত প্ৰতি লিটাৰত প্ৰযোজ্য চাৰে ১০ টকাৰ শুল্ক পূৰ্বৰ দৰে অব্যাহত থাকিব। অধিসূচনাখনত ঘৰুৱা চাহিদা পূৰণৰ বাবে উপলব্ধ পেট্ৰ'ল আৰু ডিজেলৰ ওপৰত আৰোপিত আবকাৰী শুল্কৰ হাৰত কোনোধৰণৰ সাল-সলনি কৰা হোৱা নাই বুলি উল্লেখ কৰা হৈছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বেংগালুৰুৰ দদ্দা আলাদমাৰা ৰোডত নিৰ্মাণ কৰা অসম ভৱন আজি আনুষ্ঠানিকভাৱে মুকলি কৰিব। এই অসম ভৱনে কৰ্ণাটক আৰু দাক্ষিণাত্যত বাস কৰা, বিভিন্ন কামত নিয়োজিত নাইবা চিকিৎসা আদিৰ বাবে যোৱা অসমৰ লোকসকলৰ বাবে গুৰুত্বপূৰ্ণ আশ্ৰয়স্থল হিচাপে কাম কৰিব। ৭১ কোটি টকা ব্যয়েৰে অত্যাধুনিক সা-সুবিধাৰে অসম ভৱনৰ ছমহলীয়া অট্টালিকাটো নিৰ্মাণ কৰা হৈছে। অসমৰ পৰা যোৱা সাধাৰণ নাগৰিক, চৰকাৰী বিষয়া আৰু ভি আই পি অতিথিৰ বাবে পৃথকে সু-সজ্জিত কক্ষ আৰু ২৪ খন বিছনাযুক্ত শয়নকক্ষ আৰু ১২ খন বিছনাযুক্ত ছাউনী নিৰ্মাণ কৰা হৈছে। বেংগালুৰুৰ অসম ভৱনত ৩ টা ভি ভি আই পি কক্ষ, চাৰিটা ভি আই পি, ২৬ টা সাধাৰণ আৰু ৩৬ টা দুখন আসনযুক্ত কক্ষ নিৰ্মাণ কৰা হৈছে। ইয়াৰ উপৰি বেংগালুৰুৰ অসম ভৱনত ৫ টা সন্মিলনকক্ষ আৰু দ্বৈত কোঠাযুক্ত দুটা এপাৰ্টমেণ্ট আছে। বেংগালুৰুৰ অসম ভৱনত বেংগালুৰুৰ বিভিন্ন আগশাৰীৰ চিকিৎসালয়লৈ চিকিৎসাৰ বাবে যোৱা অসমৰ ৰোগী আৰু তেওঁলোকৰ পৰিয়ালক কম খৰচত সুৰক্ষিত আৰু সুলভ আবাস প্ৰদান কৰা হ'ব।

একেদৰে উচ্চ শিক্ষাৰ নামভৰ্তি, সাক্ষাৎকাৰ নাইবা প্ৰৱেশ পৰীক্ষা দিবলৈ যোৱা শিক্ষাৰ্থী আৰু নতুন চাকৰিয়ালসকলক প্ৰাৰম্ভিক দিনকেইটাত কম খৰচত থকাৰ সুবিধা আগবঢ়োৱা হ'ব। কৰ্ণাটকত বসবাস কৰা প্ৰবাসী অসমীয়া সমাজৰ মাজত সমন্বয় ৰক্ষা আৰু অসমৰ শিল্প সংস্কৃতি প্ৰচাৰৰ কেন্দ্ৰ বিন্দু

হিচাপেও বেংগালুৰুৰ অসম ভৱনে সেৱা আগবঢ়াব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে বেংগালুৰুৰ অসম ভৱন আনুষ্ঠানিকভাৱে মুকলি কৰাৰ পাছতে কোঠা সংৰক্ষণ অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ অনলাইন প'ৰ্টেল বা নিৰ্ধাৰিত প্ৰক্ৰিয়াৰ জৰিয়তে উপলব্ধ হ'ব। বেংগালুৰুৰ আজিৰ অনুষ্ঠানত সাধাৰণ প্ৰশাসন ইত্যাদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকিব।

০০০০০০০

অগ্নিকাণ্ড

০০০০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত 'বহনক্ষম উন্নয়নৰ বাবে স্থানীয় সামগ্ৰী ব্যৱহাৰৰ পোষকতা' বিষয়ক এটি ফোন ইন অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব CARE U 365 নামৰ সংস্থাৰ মুৰব্বী তথা সমাজসেৱী ভৃগু বৰঠাকুৰ আৰু বজাৰ বিশ্লেষক বিতোপন মজুমদাৰে। অনুষ্ঠানটিৰ আঁত ধৰিব অৰূপ কুমাৰ শৰ্মাই।

শ্ৰোতাসকলে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ইউ টিউব চেনেল আৰু ফে'চবুক পেজৰ জৰিয়তেও অনুষ্ঠানটো শুনিবলৈ পাব।

০০০০০০০

শাৰদীয় দুৰ্গা পূজা উপলক্ষে ৰাজ্যজুৰি উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। ষষ্ঠীৰ বেদীত আজি দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হ'ব। বিশ্বাস অনুসৰি এইবাৰ দেৱী দুৰ্গাৰ ঘোঁৰাত আগমন ঘটিছে আৰু নাৱত গমন হ'ব। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে পূজা-মণ্ডপসমূহ আটকধুনীয়াকৈ আলোকসজ্জাৰে সজ্জিত কৰা হৈছে। ইতিহাস প্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। নৱৰাত্ৰিৰ ষষ্ঠ দিনটোত দেৱী দুৰ্গাক কাত্যায়নী ৰূপত পূজা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নৱৰাত্ৰিৰ ষষ্ঠ দিনটোত দেশবাসীক ওলগ জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে দেৱীৰ আশীৰ্বাদে যেন সকলোৰে জীৱনলৈ অপাৰ শক্তি সাহস আৰু ইতিবাচক শক্তিৰ বতৰা কঢ়িয়াই আনে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাইও শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে এই পৱিত্ৰ ক্ষণত সমূহ ৰাজ্যবাসীৰ মংগল কামনাৰে দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ শ্ৰীচৰণত প্ৰণিপাত জনাই প্ৰতিগৰাকী লোকৰ জীৱনলৈ নতুন আশা, শক্তি আৰু আনন্দৰ বতৰা কঢ়িয়াই আনিব বুলি কামনা কৰে। তেওঁ লগতে দেৱী দুৰ্গাই অশুভ শক্তি, হিংসা-বিদ্বেশ দূৰ কৰি সমাজখনক মৰম, ভালপোৱা, সম্প্ৰীতি আৰু ভাতৃবোধেৰে আলোকিত কৰিব বুলি আশা প্ৰকাশ কৰে।

**গুৱাহাটী** মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ উপাসনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। চিচি টিভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে ৫৫০ খনৰো অধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে। শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়, উজান বজাৰৰ উগ্ৰতাৰা দেৱালয়, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি বিভিন্ন ইতিহাস প্ৰসিদ্ধ স্থানসমূহত পূজা উপলক্ষে পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে।

**বাক্সা** জিলাৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰী কুজিদেওৰ দেৱালয়ৰ লগতে বিভিন্ন স্থানত পূজা আয়োজন কৰা হৈছে। এই সন্দৰ্ভত আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰে অধিক জনাইছে।

ভইচ কাষ্ট (দামোদৰ)

বান বিধবস্ত **শিৱসাগৰ** জিলাত দুৰ্গা পূজাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। বানত ক্ষতিগ্ৰস্ত জনসাধাৰণৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰি পূজা সমিতিসমূহে এইবেলি জাক-জমকতা পৰিহাৰ কৰি থলুৱা সামগ্ৰীৰে মণ্ডপসমূহ সজাই তুলিছে। **গোলাঘাট** আৰু **ডিব্ৰুগড়** জিলাতো পূজা উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড় ইণ্ডিয়া ক্লাব এণ্ড থিয়েটিকেল ইনষ্টিটিউচন পূজা সমিতিত বন্তি প্ৰজ্বলন কৰি চলিত বৰ্ষৰ দুৰ্গোৎসৱ আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ড° সৈকত পাত্ৰ, উপ-মেয়ৰ উজ্জ্বল ফুকনকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ডিব্ৰুগড়ৰ চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত ঐতিহাসিক বকুলপুৰতো সম্পূৰ্ণ ৰীতি-নীতি আৰু পৰম্পৰাৰে দুৰ্গা পূজা উদযাপন কৰা হৈছে। কাছাৰ জিলাতো দুৰ্গা পূজাৰ উৎসাহ উদ্দীপনা পৰিলক্ষিত হৈছে। শিলচৰ মহানগৰীত কেইবাখনো পূজা মণ্ডপ কালি উদ্বোধন কৰা হয়। গোৱালপাৰা জিলাৰ ১৪৩খন মণ্ডপত এইবেলি দুৰ্গা পূজাৰ আয়োজন কৰা হৈছে। ঐতিহাসিক টুক্ৰেশ্বৰী দেৱালয়ৰ লগতে শক্তিপীঠ জয়ভূম কামাখ্যা মন্দিৰতো বিস্তৃত কাৰ্যসূচীৰে দুৰ্গা পূজা অনুষ্ঠিত কৰা হৈছে। এই সন্দৰ্ভত গোৱালপাৰাৰ আয়ুক্ত প্ৰদীপ টিমুঙে এইদৰে কয়-

বাইট (আয়ুক্ত)

০০০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া টী-২০ শৃংখলাৰ প্ৰথমখন খেল আজি ৰায়পুৰৰ ছহিদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতীয় মহিলা ক্ৰিকেট দলটোৱে একেৰাহে পাঁচখন খেলত জয় লাভ কৰি প্ৰৱল আত্মবিশ্বাসী হৈ আছে। আলহী দলটোৱে ক্ৰমাগত পাঁচখন খেলত পৰাজয় বৰণ কৰিছে। শৃংখলাৰ পৰৱৰ্তী খেল দুখন ১৮ আৰু ২০ অক্টোবৰত একে স্থানতে অনুষ্ঠিত হ'ব। শৃংখলাৰ তিনিওখন খেল মহিলা দৰ্শকৰ বাবে সম্পূৰ্ণ বিনামূলীয়া হ'ব। ছট্টিশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও ছাইৰ পৰামৰ্শ অনুসৰি এই সিদ্ধান্ত লোৱা হৈছে। দুয়োটা দলৰ মাজত টী-২০ ক্ৰিকেট শৃংখলাৰ পাছত তিনিখনীয়া এদিনীয়া শৃংখলা অনুষ্ঠিত হ'ব।

০০০০০০

**সমাপ্ত**